بِسۡمِ اللّٰہِ الرَّحۡمٰنِ الرَّحِیۡمِ

# খোতবা জুমা

**লণ্ডনত অৱস্থিত মছজিদ ফজল নির্মাণ হোৱাৰ এশ বছৰ পূৰ্ণ হোৱা হেতুকে মছজিদ ফজলৰ ইতিহাস সম্পৰ্কে চমু বৰ্ণনা**

**ছৈয়দিনা হজৰত আমিৰুল মোমিনিন খলিফাতুল মছীহ আল-খামিছ (আইঃ)য়ে ১৮ অক্টোবৰ ২০২৪ চনত মছজিদ মোবাৰক ইছলামাবাদ টিলফোৰ্ড (বৃটেইনত) প্ৰদান কৰা জুমাৰ খোতবাৰ সাৰাংশ।**

أَشْهَدُ أَنْ لَا إِلَهَ إِلَّا اللهُ وَحْدَهُ لَا شَرِيْكَ لَهُ وَأَشْهَدُ أَنَّ مُحَمَّدًا عَبْدُهُ وَرَسُوْلُهُ أَمَّا بَعْدُ فَأَعُوْذُ بِاللهِ مِنَ الشَّيْطٰنِ الرَّجِيْمِ۔ بِسۡمِ اللّٰہِ الرَّحۡمٰنِ الرَّحِیۡمِ۔ اَلۡحَمۡدُ لِلّٰہِ رَبِّ الۡعٰلَمِیۡنَ۔ الرَّحۡمٰنِ الرَّحِیۡمِ۔ مٰلِکِ یَوۡمِ الدِّیۡنِ۔ اِیَّاکَ نَعۡبُدُ وَ اِیَّاکَ نَسۡتَعِیۡنُ۔ اِہۡدِنَا الصِّرَاطَ الۡمُسۡتَقِیۡمَ۔ صِرَاطَ الَّذِیۡنَ اَنۡعَمۡتَ عَلَیۡہِمۡ ۬ۙ غَیۡرِ الۡمَغۡضُوۡبِ عَلَیۡہِمۡ وَ لَا الضَّآلِّیۡنَ۔

তাছাহুদ তাউজ আৰু ছুৰা ফাতিহা পাঠৰ পিছত হুজুৰ আনোৱাৰ (আইঃ)য়ে কয়, যোৱা কালি বৃটেইনৰ জামাতৰ মছজিদ ফজলৰ এশ বছৰ পূৰ্ণ হোৱাত এটা উৎসৱৰ আয়োজন কৰা হৈছে। য'ত অমুছলিম অতিথি সকলক আৰু প্ৰতিবেশী সকলক নিমন্ত্ৰণ কৰা হৈছে। মছজিদ ফজলৰ এটা ঐতিহাসিক ভূমিকা আছে এই কাৰণেই যে এইখন বৃটেইনত জামাত আহমদীয়াৰ প্ৰথম মছজিদ হয়। এই মছজিদখন ঈছাই সকলৰ সাজ মজিয়াত নিৰ্মাণ কৰা হৈছিল আৰু ইয়াৰ পৰাই ইছলামৰ প্ৰকৃত শিক্ষা আৰু তবলিগ বিশ্ববাসীৰ মাজত বিস্তাৰিত বাবে আৰম্ভ কৰা হৈছিল।

আজি আমাৰ বিৰুদ্ধবাদী সকলে কয় যে জামাত আহমদীয়া ইংৰাজ সকলে লগোৱা পুলি। কিন্তু আচৰিত কথা হ'ল এয়া যে সেই  নিজে লগোৱা পুলিৰ জৰিয়তে পশ্চিমীয়া দেশৰ বাসিন্দা সকলৰ দুৰ্বলতা সমূহ সিহঁতৰ দেশতেই আঙুলিয়াই দি ইছলামৰ সৌন্দৰ্যৰ প্ৰচাৰ কৰা হৈ আছে।

মছজিদ ফজল নিৰ্মাণ কৰাৰ আগতে বিবকংত এখন মছজিদ নিৰ্মাণ কৰা হৈছিল আৰু এই মছজিদৰ নিৰ্মাতা আছিল বিখ্যাত পশ্চিমীয়া ভাষাবিদ জি ডবলিউ লাইটেজ। এওঁ লাহোৰৰ অৰিয়েণ্টেল কলেজৰ অধ্যক্ষ পদৰ পৰা অৱসৰ প্ৰাপ্ত হৈ বৃটেইনলৈ ওভতি আহি ১৮৮৯ চনত এই মছজিদখন নিৰ্মাণ কৰোৱাইছিল। এয়া এটা বিস্ময়কৰ সমিল মিল আছিল যে এই ১৮৮৯ চনটোৱেই সেই বছৰ যি বছৰত জামাত আহমদীয়া মুছলিমাৰ প্ৰতিষ্ঠা হৈছিল। ১৮৮৯ চনতেই অৱনতি ঘটে। মছজিদ খনক চম্ভালি ল'বলৈ পিছত আৰু কোনেও নাছিল। কিছুকাল পাৰ হৈ যোৱাৰ পিছত হজৰত খলিফাতুল মছীহ প্ৰথম (ৰাঃ)ৰ কালত খাজা কামাল উদ্দিন চাহাব (ৰাঃ)য়ে ইয়ালৈ আহে আৰু মছজিদখন আকৌ খুলিবলৈ চেষ্টা কৰি সফল হয়। এখেত হজৰত খলিফাতুল

মছীহ আউৱাল (ৰাঃ)লৈ চিঠি লিখিছিল যে এতিয়া মছজিদৰ এটা ট্ৰাষ্ট বনোৱা হৈছে, যাৰ পৰিচালক হিচাপে মোক নিযুক্ত কৰা হৈছে, আৰু আকৌ মছজিদত ইবাদত কৰা আৰম্ভ হৈছে। যেতিয়া এই মছজিদ দ্বিতীয়বাৰ খুলি দিয়া হয় তেতিয়া খাজা চাজাবৰ সৈতে হজৰত চৌধুৰী মহম্মদ জাফৰুল্লাহ খান চাহাবও তাতে গৈছিল আৰু নফল আদায় কৰি দোৱা কৰিছিল।

ইয়াৰে কিছুদিন পিছত হজৰত মুচলেহ মাওউদ (ৰাঃ)য়ে মোবাল্লিগৰ যোজনা আৰম্ভ কৰে আৰু জামাতত অৰ্থনৈতিক সংকট চলা সত্ত্বেও চৌধুৰী ফতেহ মহম্মদ ছিয়াল চাহাব (ৰাঃ)ক তালৈ পঠাই দিয়ে। এখেত গৈ খাজা চাহাবৰ লগত কাম কৰিবলৈ আৰম্ভ কৰে। কিন্তু হজৰত খলিফাতুল মছীহ আউৱাল (ৰাঃ)ৰ মৃত্যুৰ পিছত খাজা চাহাবে দ্বিতীয় খলিফাৰ বয়াত নকৰাত চৌধুৰী ফতেহ মহম্মদ (ৰাঃ)য়ে তেওঁক এৰি গৈ বেলেগ ঠাইত থাকিবলৈ লয়। এয়া বিবকঙৰ মছজিদ আছিল, কিন্তু নিয়ম মতে মুছলমান ফিৰকা অথবা জামাতৰ ফালৰ পৰা মছজিদ ফজলেই আছে, যিটো পিছত নিৰ্মাণ কৰা হৈছে। নিঃসন্দেহ বৰ্তমানে বৃটেইনত, লণ্ডনত আৰু পশ্চিমীয়া দিশবোৰত মুছলমান সকলৰ আৰু বহু মছজিদ আছে, কিন্তু লণ্ডনত মুছলমান সকলৰ প্ৰথম মছজিদ হিচাপে, মছজিদ ফজলেই আছে।

জামাত আহমদীয়াৰ এয়াই এটা গুণাৱলী যে ইয়াৰ মছজিদ বিলাক জামাতৰ লোকে দিয়া চান্দাৰে নিৰ্মাণ কৰা হয়। বৰ্তমানলৈকে বৃটেইনত জামাতৰ এডজন মছজিদ নিৰ্মাণ কৰা হৈ গৈছে। যিয়েই নহওঁক আজি মই মছজিদ ফজলৰ বিষয়ে কিছু কথা বৰ্ণনা কৰিব বিচাৰিছো।

হজৰত মছীহ মাওউদ (আঃ)য়ে পশ্চিমীয়া দেশবোৰত ইছলাম প্ৰচাৰ সম্পৰ্কে বহু কথাই বৰ্ণনা কৰিছে, সেই বিলাকেই আমাৰ তবলিগি চেতনাৰ মূল উৎস। এঠাইত তেখেত (আঃ)য়ে কৈছে, পশ্চিম ফালৰ পৰা সূৰ্য উদয় গোৱা বাক্য ফাকিৰ অৰ্থ হ'ল- পশ্চিমীয়া দেশবোৰ যি প্ৰাচীন কালৰ পৰাই অন্ধকাৰ, অজ্ঞতাত ডুবি আছে, তাতেই সত্যৰ দিবাকৰ প্ৰজ্বলিত হ'ব। তেখেত (আঃ)য়ে নিজৰ এটা সপোন বৰ্ণনা কৰা সময়ত কৈছে যে মই দেখিছো যে মই লণ্ডন চহৰত এটা মিম্বাৰৰ ওপৰত থিয় হৈ আছো আৰু ইংৰাজী ভাষাত স্পষ্ট ভাৱে ইছলামৰ সত্যতা বৰ্ণনা কৰি আছো, ইয়াৰ পিছত মই বহু কেইটা সৰু সৰু চৰাই ধৰিলো, যিবিলাক সৰু সৰু গছৰ ওপৰত বহি আছিল আৰু সেই চৰাই বিলাকৰ গাৰ ৰঙ আছিল বগা। গতিকে মই এই সপোনটোৰ অৰ্থ লৈছিলো এয়া যে যদিও মই নহয়, কিন্তু মোৰ লিখনীয়ে তাত সমাদৰ লাভ কৰিব আৰু বহুতো সজ প্ৰকৃতিৰ ইংৰাজ লোকে এই সত্য গ্ৰহণ কৰিব।

চৌধুৰী ফতেহ মহম্মদ ছিয়াল চাহাব (ৰাঃ) ইংলেণ্ডত যোৱা প্ৰথম মোবাল্লিগ আছিল। আল্লাহ তা'লা তেখেতক তাতে সফলতা দান কৰিছিল আৰু মিষ্টাৰ কুৰিও প্ৰথমে আহমদী হৈছিল, এখেত পেশাত এজন সাংবাদিক আছিল। এখেতৰ পিছত ১২ জন লোকে জামাতে আহমদীয়াৰ অন্তৰ্ভুক্ত হৈছিল। ইয়াৰ পিছত হজৰত মুচলেহ মাওউদ (ৰাঃ)য়ে ছিয়াল চাহাব (ৰাঃ)ক তাৰ পৰা ওভতি আহিবলৈ মাতি পঠিয়াইছিল আৰু কাজি আব্দুল্লাহ চাহাব (ৰাঃ)ৰ চাহাবী আছিল আৰু এখেত প্ৰথম বিশ্ব যুদ্ধৰ সময়ত ইয়াতেই কাম কৰিছিল। সেই সময়ত এটা ঘৰ ভাড়াত লোৱা হৈছিল। ১৯১৭ চনৰ জানুৱাৰী মাহৰ পৰা ১৯২০ চন লৈকে হজৰত মুফতি মহম্মদ ছাদিক চাহাব (ৰাঃ)য়েও ইয়াতে মোবাল্লিগ হিচাপে কাম কৰি গৈছে। ১৯১৯ চনত চৌধুৰী ফতেহ মহম্মদ ছিয়াল চাহাব (ৰাঃ)ক দ্বিতীয়বাৰ আৰু আব্দুৰ ৰহিম নায়াৰ চাহাব (ৰাঃ)ক মোবাল্লিগ হিচাপে ইয়ালৈ পঠাই দিয়ে। এওঁলোকে নিস্বাৰ্থ ভাৱে কাম কৰি গৈছে। ১৯২০ চনত ফতেহ মহম্মদ ছিয়াল চাহাব (ৰাঃ)ক হজৰত মুচলেহ মাওউদ (ৰাঃ)য়ে ইংলেণ্ডত অলপ মাটি কিনি লোৱাৰ পৰামৰ্শ দিয়ে, য'ত মছজিদ বনাব পৰা যায়। সেয়ে দুহেজাৰ দুশ পাউণ্ডেৰে পটনী অঞ্চলত এডোখৰ মাটি কিনি লোৱা হয়।

হজৰত মুচলেহ মাওউদ (ৰাঃ)য়ে যেতিয়া এই মাটি কিনাৰ খবৰ পাইছিল তেতিয়া তেখেত (ৰাঃ)য়ে

ডেলহাউচিত আছিল, তাতে এটা ডাঙৰ ফাংচন অনুষ্ঠিত কৰে আৰু এই মছজিদৰ নাম ৰাখে মছজিদ ফজল। ইয়াৰ পিছত এই মছজিদ নিৰ্মাণাৰ্থে চান্দাৰ তেহেৰিক কৰে। ১৯২৪ উৰেম্বলত অনুষ্ঠিত হোৱা আন্তৰ্জাতিক ধৰ্মীয় সন্মিলনত আব্দুৰ ৰহিম নায়ৰ চাহাবক ইছলামৰ শিক্ষা সম্পৰ্কে বৰ্ণনা কৰিবলৈ আমন্ত্ৰণ জনোৱা হয় তেতিয়া এখেত (ৰাঃ)য়ে এই খবৰ কাদিয়ানলৈ প্ৰেৰণ কৰে। হজৰত মুচলেহ মাওউদ (ৰাঃ)য়ে এই আমন্ত্ৰণ গ্ৰহণ কৰে আৰু ইছলামৰ গুণাৱলী বৰ্ণনা কৰিবলৈ এখন কিতাপ ৰচনা কৰে, যি আহমদীয়ত অৰ্থাৎ প্ৰকৃত ইছলাম (আহমদিয়ত ইয়ানি হাকিকি ইছলাম) নামেৰে মুদ্ৰিত হৈছে।

এই সন্মিলনৰ বাবে সিদ্ধান্ত লোৱা হয় যে হজৰত মুচলেহ মাওউদ (ৰাঃ)য়ে নিজে গৈ এই সন্মিলনত অংশ গ্ৰহণ কৰিব। গতিকে হজৰত মুচলেহ মাওউদ (ৰাঃ)য়ে দামাস্কত আৰু মিচৰৰ ওপৰেদি ইটালী, চুইজাৰলেণ্ড আৰু ফ্ৰান্স হৈ ১৯২৪ চনৰ ২২ আগষ্টত গৈ ইংলেণ্ডত উপস্থিত হয়। তাতে ছেইণ্টপল চাৰ্চৰ সন্মুখত থিয় হৈ এখেত (ৰাঃ)য়ে আল্লাহ তা'লাৰ ওচৰত ইছলামৰ বিজয়ৰ বাবে দোৱা কৰে, তাৰ পিছত চহৰত প্ৰৱেশ কৰে। তেখেত (ৰাঃ)ৰ উপস্থিতি মৰ্মে সেই ঠাইৰ প্ৰেছ বিভাগে বিভিন্ন বিষয় সংক্ৰান্তে বহু বাৰ্তা লাভ কৰে।

মছজিদ নিৰ্মাণাৰ্থে তাতে প্ৰথম সুবিধা হৈছিল এয়া যে প্ৰথম বিশ্ব যুদ্ধৰ অন্ত পৰাৰ লগে লগে মুদ্ৰাস্ফিতি ঘটে আৰু সুবিধা গ্ৰহণ কৰি ১৯২০ চনত খলিফাৰ তেহেৰিক অনুযায়ী ভাৰতত প্ৰথমে ত্ৰিছ হাজাৰ আৰু ইয়াৰ পিছত এক লাখ টকা জমা কৰা হয়। এই টকা জমা কৰাত জামাতৰ সদস্য বৃন্দই ভৰপুৰ সহাৰি জনাইছিল। বেংক অফ ইণ্ডিয়াৰ জৰিয়তে এই টকাখিনি ইংলেণ্ডলৈ পঠোৱাই দিয়া হয় আৰু এই টকা খিনিৰ জৰিয়তে চাৰিশ আঠষষ্ঠি পাউণ্ড কিনি লৈছিল।

১৯২৪ চনৰ ১৯ তাৰিখৰ ৰবিবাৰ দিনা এই মছজিদৰ আধাৰশিলা স্থাপন কৰা হৈছিল। এই অনুষ্ঠানত ভাগ ল'বলৈ পাৰ্লিয়ামেণ্টৰ সদস্য, নেতা, ৰাতনীতিবিদ, দূত আদিকৰি বহুত লোকক নিমন্ত্ৰণ কাৰ্ড দিয়া হৈছিল কাৰণ সময় আছিল সীমিত সেয়ে ধাৰণা কৰা হৈছিল যে কম সংখ্যক মানুহেই আহিব। কিন্তু পিছত দেখা গ'ল যে এটা ডাঙৰ সংখ্যক অতিথিয়ে  আহি এই অনুষ্ঠানত অংশ গ্ৰহণ কৰিলে। বিভিন্ন দেশৰ প্ৰতিনিধি সকলেও আহি এই অনুষ্ঠানত অংশ গ্ৰহণ কৰিছিল। অনুষ্ঠান ভালে ভালেই সফল হৈছিল। আধাৰশিলা স্থাপনৰ শুভাৰম্ভনীত হজৰত হাফিজ ৰৌশন আলী চাহাব (ৰাঃ)য়ে কোৰাণ পাঠ কৰিছিল। ইয়াৰ পিছত হজৰত খলিফাতুল মছীহ ছানি (ৰাঃ)য়ে ভাষণ প্ৰদান কৰিছিল।

হজৰত মুচলেহ মাওউদ (ৰাঃ)য়ে কৈছে যে কোৰাণ কৰিমৰ আদেশ আৰু ৰছুলুল্লাহ (ছাঃ)ৰ আমলৰ পৰা এয়া প্ৰমাণিত হয় যে ইছলামী মছজিদৰ দুৱাৰ প্ৰত্যেক সেইজন ব্যক্তিৰ বাবে খোলা আছে যিজনে খোদা তা'লাৰ ইবাদত কৰিব বিচাৰে আৰু ইছলামী মছজিদ বিলাক বিভিন্ন ধৰ্মৰ লোক সকলক একত্ৰিত কৰাৰ একমাত্ৰ কেন্দ্ৰ বিন্দু। এই আশাৰে আমি অৰ্থাৎ জামাত আহমদীয়াই এই মছজিদ নিৰ্মাণ কৰাৰ সিদ্ধান্ত লৈছে। লগতে কৈছে যে মই এই মছজিদৰ আধাৰশিলা স্থাপন কৰাৰ আগতে এই বিষয়টো স্পষ্ট কৰি দিব বিচাৰো যে মছজিদ কেৱল আৰু কেৱল খোদা তা'লাৰ উপাসনা কৰিবলৈ নিৰ্মাণ কৰা হয়।

এই মছজিদৰ আধাৰশিলা স্থাপন কৰাৰ দুবছৰ পিছত মছজিদৰ দ্বাৰ মুকলি কৰা হৈছিল। এই শুভ উদ্বোধনী অনুষ্ঠানত শ্বাহজাদা ফ্যায়চালে যোগদান কৰাৰ কথা আছিল, তেওঁৰ দেউতাকে কৈছিল যে তেওঁ যাওঁক কিন্তু মুছলমান সকলৰ কাৰ্য কলাপত ৰজায় তেওঁক যাবলৈ নিষেধ কৰে। পিছত শ্বেইখ আব্দুল কাদেৰ চাহাবে এই মছজিদৰ শুভ উদ্বোধন কৰে। এখেতে স্পষ্ট ভাৱে কৈছিল যে মই আহমদী নহয়, কিন্তু যিহেতু আমি ইছলামৰ সেৱা কৰিব বিচাৰো, সেয়ে আমি মতানৈক্য পৰিহাৰ কৰি পৰস্পৰে পৰস্পৰক সহায় কৰা উচিত। এয়াই শ্বেইখ আব্দুল কাদিৰ চাহাবৰ প্ৰেৰণা আৰু মুকলি মুৰীয়া মন আছিল। আল্লাহ তা'লা তেখেতক ইয়াৰ দ্বাৰা কল্যাণমণ্ডিত কৰক।

এয়াই হ’ল মছজিদ ফজল লণ্ডনৰ চমু ইতিহাস। এই মছজিদ নির্মাণ কৰাৰ উদ্দেশ্য আছিল যাতে পশ্চিমীয়া দেশবোৰত ইছলাম প্ৰচাৰ কৰিব পৰা যায়। আজি আমি এই মছজিদৰ এটা শত বাৰ্ষিক অনুষ্ঠান পাতিবলৈ লৈছো। কিন্তু এয়া কোনো জাগতিক অনুষ্ঠান নহয়। মছজিদ হ’ল সেইখন ঠাই য’ত আল্লাহ তা’লাৰ ইবাদতৰ বাবে মানুহে আহি জমা হয় আৰু আল্লাহ তা’লাৰ ইবাদত কৰে আৰু পৰস্পৰে পৰস্পৰৰ অধিকাৰ প্ৰদান কৰি থাকে। নিজৰ আধ্যাত্মিক সংশোধন আৰু উন্নতি কৰে, নিজৰ চৰিত্ৰও উন্নত কৰে।

আজি আমি এই বিষয়ে চেষ্টা কৰা উচিত যে আমি যেন আল্লাহ তা’লাৰ ইবাদতৰ হক আদায় কৰোঁতা হ’ব পাৰো। আমি যেন আল্লাহ তা’লাৰ আদেশ নিষেধ পালন কৰোঁতা হওঁ। আৰু তাৰ সৃষ্টিজীৱৰ অধিকাৰ প্ৰদান কৰোঁতা হ’ব পাৰো। আল্লাহ তা’লা ইয়াৰ বাবে আমাক তৌফিক দান কৰক। যদি এনেকুৱা হয় তেন্তে তেতিয়াহে আমি এই জগতখনক শান্তি আৰু নিৰাপত্তাৰ আলয় বনাওঁতা হ’ব পাৰিম। আল্লাহ তা’লা সকলোকে এই কামৰ বাবে তৌফিক দান কৰক। আমীন-

اَلْحَمْدُ لِلّٰهِ نَحْمَدُهٗ وَنَسْتَعِيْنُهٗ وَنَسْتَغْفِرُهٗ وَنُؤْمِنُ بِهٖ وَنَتَوَكَّلُ عَلَيْهِ وَنَعُوْذُ بِاللّٰهِ مِنْ شُرُوْرِ اَنْفُسِنَا
وَمِنْ سَيِّئَاتِ اَعْمَالِنَا مَن يَّهْدِهِ اللّٰهُ فَلاَ مُضِلَّ لَهُ وَمَنْ يُّضْلِلْهُ فَلاَ هَادِىَ لَهُ وَنَشْهَدُ أَنْ لَآ اِلٰهَ اِلاَّ اللّٰهُ
وَنَشْهَدُ اَنَّ مُحَمَّدًا عَبْدُهٗ وَرَسُوْلُهٗ. عِبَادَ اللّٰهِ رحمكم الله اِنَّ اللّٰهَ يَأْمُرُ بِالْعَدْلِ وَالْاِحْسَانِ وَاِيْتَآءِ ذِى الْقُرْبٰى
وَيَنْهٰى عَنِ الْفَحْشَآءِ وَالْمُنْكَرِ وَالْبَغْيِ يَعِظُكُمْ لَعَلَّكُمْ تَذَكَّرُوْنَ اُذْكُرُوا اللّٰهَ يَذْكُرْكُمْ وَادْعُوْهُ يَسْتَجِبْ
لَكُمْ وَلَذِكْرُ اللّٰهِ اَكْبَرُ۔

**ASSAMESE KHULASA KHUTBA JUMA HUZUR ANWAR [aba] 18 OCT 2024**

# BOOK POST (PRINTED MATTER)

TO,

..........................................................................................................................................

..........................................................................................................................................

..........................................................................................................................................

**NASHOR-O-ISHAAT QADIAN**

অনুবাদক ঃ শ্বাহজাহান আলি মুৱাল্লিম ছিলছিলা